যদিহে $\frac{e-1}{e}$ এককতকৈ কম হয়, MR দৰতকৈ কম হয়, অথবা দৰ বা গড় আয় প্ৰান্তিক আয়তকৈ বেছি। সেয়ে MR ৰেখা AR ৰেখাৰ তলত থকা দেখা যায়। অৰ্থাৎ AR আৰু MR ৰেখাৰ অৱস্থাও $\frac{e-1}{e}$ ৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে।

## একচেটিয়া বজাৰৰ ভাৰসাম্য দৰ নিৰ্ধাৰণ (Price Determination under Monopoly) ঃ


একচেটিয়া ব্যৱসায়ী এজনৰ প্ৰধান লক্ষ্য হৈছে উৎপাদন ব্যয়ৰ পৰিমাণ হ্ৰাস কৰা আৰু লাভৰ পৰিমাণ বৃদ্ধি কৰা। একচেটিয়া বজাৰৰ ভাৰসাম্য দৰ নিৰ্ধাৰণৰ বাবে দুটা চৰ্ত পূৰণ হ'ব লাগিব। (1) প্ৰান্তিক ব্যয় (MC), প্ৰান্তিক আয় (MR) ৰ সমান হ'ব লাগিব। (2) প্ৰান্তিক আয় (MR) ৰেখাক প্ৰান্তিক ব্যয় MC ৰেখাই তলফালৰ পৰা ছেদ কৰিব লাগিব।

একচেটিয়া ব্যৱসায়ী এজনে ভাৰসাম্য দৰত এই চৰ্ত দুটা পূৰণ কৰাৰ মূলতে হ'ল — যি পৰ্যন্ত একচেটিয়া ব্যৱসায়ীজনৰ প্ৰান্তিক ব্যয়তকৈ (MC) প্ৰান্তিক আয় (MR) অধিক হৈ থাকে, সেই পৰ্যন্ত তেওঁ উৎপাদনৰ জৰিয়তে লাভৰ পৰিমাণ বৃদ্ধি কৰি নি থাকে। কিন্তু প্ৰান্তিক আয় আৰু প্ৰান্তিক ব্যয় সমান হোৱাৰ পাছত উৎপাদন বৃদ্ধি কৰিলে প্ৰান্তিক আয়তকৈ প্ৰান্তিক ব্যয় বেছি হৈ মুঠ লাভৰ পৰিমাণ হ্ৰাস হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। সেয়ে যিটো বিন্দুত প্ৰান্তিক আয় আৰু প্ৰান্তিক ব্যয় সমান হয়, সেই বিন্দুতে একচেটিয়া ব্যৱসায়ীজনে ভাৰসাম্য দৰ নিৰ্ধাৰণ কৰে; কিয়নো এই বিন্দুত তেওঁৰ লাভৰ পৰিমাণ সৰ্বাধিক হয়।

দ্বিতীয় চৰ্তমতে, MC ৰেখাই MR ৰেখাক তলফালৰ পৰা ছেদ কৰিব লাগে। কিয়নো যদিহে MR ৰেখাক MC ৰেখাই ওপৰৰ পৰা ছেদ কৰে, তেন্তে MC ৰ পৰিমাণ MR তকৈ কমি থাকে। অৰ্থাৎ প্ৰান্তিক ব্যয় প্ৰান্তিক আয়তকৈ কমি থাকে আৰু লাভৰ পৰিমাণ বৃদ্ধি হৈ থাকে; এনে অৱস্থাত ভাৰসমতা প্ৰতিষ্ঠা কৰিলে উৎপাদনকাৰীজনে সম্ভাব্য লাভৰ পৰা বঞ্চিত হ'ব। অন্যহাতেদি MC ৰেখাই MR ৰেখাক তলফালৰ পৰা ছেদ কৰা বিন্দুৰ পিছত উৎপাদন কৰিলে প্ৰান্তিক ব্যয় প্ৰান্তিক আয়তকৈ অধিক হ'ব। তেতিয়া ব্যৱসায়ীজনৰ লোকচান হ'ব। বিবেচনাসম্পন্ন উৎপাদনকাৰীয়ে লোকচান ভৰি উৎপাদনকাৰ্য চলাই নাথাকে। সেয়ে যিটো বিন্দুত MR ৰেখাই MC ৰেখাক তলফালৰ পৰা

ছেদ কৰে সেই বিন্দুতে একচেটিয়া ব্যৱসায়ীজনৰ ভাৰসাম্য দৰ নিৰ্ধাৰণ হয় আৰু ইয়াতে তেওঁ সৰ্বাধিক লাভ অৰ্জন কৰিবলৈ সক্ষম হয়।

ওপৰত আলোচনা কৰা চৰ্ত দুটা পূৰণৰ জৰিয়তে এজন একচেটিয়া ব্যৱসায়ীয়ে কিদৰে ভাৰসাম্য দৰ প্ৰতিষ্ঠা কৰে, তাক চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা হ'ল।




চিত্ৰ নং 2.4

চিত্ৰ নং 2.4 ৰ OX অক্ষত দ্ৰব্যৰ উৎপাদনৰ পৰিমাণ আৰু OY অক্ষত দৰ দেখুওৱা হৈছে। MC প্ৰান্তিক ব্যয় আৰু MR প্ৰান্তিক আয় ৰেখা। AC গড় ব্যয় ৰেখা। এই ৰেখাৰ আকৃতি U ৰ নিচিনা। AR গড় আয় ৰেখা। E বিন্দুত MC ৰেখাই MR ৰেখাক তলফালৰ পৰা ছেদ কৰাৰ লগতে E বিন্দুত MR=MC হৈছে। গতিকে ভাৰসাম্য বিন্দু হ'ল E। চিত্ৰটোত OY অক্ষত দৰ দেখুওৱা হৈছে। একচেটিয়া ব্যৱসায়ীজনৰ ভাৰসাম্য দৰ হ'ল OP। একচেটিয়া ব্যৱসায়ীজনে OP দৰত OQ পৰিমাণৰ উৎপাদন কৰিছে। OQ পৰিমাণতকৈ অধিক উৎপাদন কৰিলে ব্যৱসায়ীজনৰ MC ৰ পৰিমাণ MR তকৈ বেছি হ'ব আৰু তেওঁ লোকচানৰ সন্মুখীন হ'ব। অন্যহাতে OQ তকৈ কম উৎপাদন কৰিলে MR ৰ পৰিমাণ MC তকৈ বেছি হ'ব। এনে অৱস্থাত তেওঁ সাম্ভাব্য লাভৰ পৰা বঞ্চিত হ'ব। সেয়ে তেওঁ MC = MR ৰ ভিত্তিত OQ পৰিমাণৰ দ্ৰব্য উৎপাদন কৰি ভাৰসমতা লাভ কৰিছে।

ভাৰসাম্য দৰত একচেটিয়া ব্যৱসায়ীজনৰ মুঠ উপাৰ্জনৰ পৰিমাণ হ'ল—

OQ.OP=OQ.SQ।

আনহাতে তেওঁৰ মুঠ উৎপাদন ব্যয় হ'ল—

$OQ.OP_1$=OQ.NQ।


একচেটিয়া ব্যৱসায়ীজনৰ লাভৰ পৰিমাণ হ'ল—

TR − TC = Profit


অৰ্থাৎ OQSP − $OQNP_1$ = $P_1NSP$

গতিকে একচেটিয়া ব্যৱসায়ীজনে OP দৰত OQ পৰিমাণৰ উৎপাদন কৰি $P_1NSP$ পৰিমাণৰ অস্বাভাৱিক লাভ অৰ্জন কৰিবলৈ সক্ষম হ'ব।

সাধাৰণতে এটা কথা ধৰি লোৱা হয় যে একচেটিয়া ব্যৱসায়ীজনে সদায় লাভ অৰ্জন কৰিবলৈ সক্ষম হয়। ই এক ভুল ধাৰণা বুলি বহু অৰ্থনীতিবিদে মত দাঙি ধৰিছে। কাৰণ, যদিহে একচেটিয়া ব্যৱসায়ীজনে উৎপাদন কৰা দ্ৰব্যৰ চাহিদা হ্ৰাস পায় তেন্তে ব্যৱসায়ীজনে অতি কম দৰত দ্ৰব্য বিক্ৰী কৰিব লগা হয়; ফলত একচেটিয়া ব্যৱসায়ীজনৰ লাভৰ পৰিমাণ হ্ৰাস পায়। সংকোচনৰ সময়ত যেতিয়া সকলো দ্ৰব্যৰে চাহিদা হ্ৰাস হয়, তেতিয়া একচেটিয়া ব্যৱসায়ীজনে লোকচানৰ সন্মুখীন হয়। অৱশ্যে হ্ৰস্বকালীন সময়ত একচেটিয়া ব্যৱসায়ীজনে দ্ৰব্যৰ দৰ গড় পৰিৱৰ্তনশীল ব্যয়ৰ ওপৰত থকা পৰ্যন্ত তেওঁৰ উৎপাদন কাৰ্য বাহাল ৰাখে। যদি ব্যৱসায়ীজনে একেৰাহে লোকচান ভৰি থাকে, তেন্তে দীৰ্ঘকালীন সময়ত তেওঁ উৎপাদন বন্ধ কৰিবলৈ বাধ্য হৈ পৰে। আনহাতে হ্ৰস্বকালীন সময়তো যদি কিবা কাৰণত দ্ৰব্যৰ দৰ গড় পৰিৱৰ্তনশীল ব্যয়তকৈ (AVC) তললৈ হ্ৰাস হয়, তেতিয়া তেওঁ উৎপাদন বন্ধ কৰিবলৈ বাধ্য হয়। অৰ্থাৎ যদিহে একচেটিয়া ব্যৱসায়ীজনৰ স্থিৰ ব্যয় বৃদ্ধি হয়, আনকি তেওঁ পৰিৱৰ্তনশীল ব্যয়খিনিও পূৰণ কৰিব নোৱাৰে, তেন্তে একচেটিয়া ব্যৱসায়ীজনে হ্ৰস্বকালীন সময়তো উৎপাদন বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি হ্ৰস্বকালীন সময়ত লোকচানৰ পৰিমাণ বন্ধ কৰিব নোৱাৰিলেও লোকচানৰ পৰিমাণ হ্ৰাস কৰিবলৈ চেষ্টা কৰে। চিত্ৰৰ সহায়ত একচেটিয়া ব্যৱসায়ীৰ লোকচানৰ পৰিমাণ দেখুওৱা হ'ল।




চিত্ৰ নং 2.5 (a)




চিত্ৰ নং 2.5 (b)

চিত্ৰ নং 2.5 (a) ত OX অক্ষত উৎপাদনৰ পৰিমাণ আৰু OY অক্ষত দৰ দেখুওৱা হৈছে। SMC হ্ৰস্বকালীন প্ৰান্তিক ব্যয় ৰেখা। SAC হ্ৰস্বকালীন গড় ব্যয় ৰেখা। AVC গড় পৰিৱৰ্তনশীল ব্যয় ৰেখা। MR প্ৰান্তিক আয় আৰু AR গড় আয় ৰেখা। E বিন্দুত MR ৰেখাই SMC ৰেখাক পৰস্পৰ ছেদ কৰি ভাৰসমতা লাভ কৰিছে। E ভাৰসাম্য বিন্দুত $OQ_1$ মুঠ উৎপাদনৰ পৰিমাণ আৰু OP ভাৰসাম্য দৰ। ভাৰসাম্য বিন্দুত একচেটিয়া ব্যৱসায়ীজনৰ মুঠ আয় হ'ল $TR = OQ_1SP$ আৰু মুঠ ব্যয় $= TC = OQ_1LP_1$ ।

গতিকে ব্যৱসায়ীজন লোকচানৰ সন্মুখীন হৈছে। চিত্ৰটোত লোকচানৰ পৰিমাণ হ'ল— $PSLP_1$ ।

যিহেতু গড় আয় AR ($Q_1S$) হ্ৰস্বকালীন গড় ব্যয় (SAC), $Q_1L$ তকৈ কম সেইকাৰণে ব্যৱসায়ীজনৰ লোকচান হৈছে।

ইতিমধ্যে আলোচনা কৰি অহা হৈছে যে- একচেটিয়া ব্যৱসায়ী এজনৰ লাভ আৰু লোকচানৰ পৰিমাণ তেওঁৰ উৎপাদিত দ্ৰব্যৰ চাহিদাৰ ওপৰত নিৰ্ভৰ কৰে।

চিত্ৰ নং 2.5 (b) ৰ দেখুওৱাৰ দৰে একচেটিয়া ব্যৱসায়ী এজনৰ AR যদি AVC তকৈ কম হয়, তেন্তে তেওঁৰ লোকচানৰ পৰিমাণ কিমান হ'ব তাক ব্যাখ্যা কৰা হ'ল। চিত্ৰটোত E বিন্দুত MR ৰেখাক SMC ৰেখাই তলফালৰ পৰা ছেদ কৰাৰ বাবে একচেটিয়া ব্যৱসায়ীজনে ভাৰসাম্য লাভ কৰিছে। E বিন্দুত ON দৰত $OQ_2$ দ্ৰব্য উৎপাদন কৰিলে একচেটিয়া ব্যৱসায়ীজনৰ মুঠ উপাৰ্জন হ'ব $OQ_2FN$ আৰু মুঠ ব্যয় হ'ব $OQ_2HM$। গতিকে ব্যৱসায়ীজনে NFHM

পৰিমাণৰ লোকচানৰ সন্মুখীন হৈছে। NFHM লোকচানৰ PBHM লোকচান স্থিৰ ব্যয়ৰ সমান আৰু NFBP লোকচান পৰিৱৰ্তনশীল ব্যয়ৰ সমান। অৰ্থাৎ NFHM = (NFBP+PBHM)। এনেধৰণৰ পৰিস্থিতিৰ সন্মুখীন হ'লে একচেটিয়া ব্যৱসায়ীজনে হ্ৰস্বকালীন সময়তো উৎপাদনকাৰ্য্য বন্ধ কৰি দিব।

গতিকে ক'ব পাৰি যে- একচেটিয়া ব্যৱসায়ী এজনে MR = MC হ'লেহে দৰ নিৰ্ধাৰণ কৰে। তদুপৰি একচেটিয়া ব্যৱসায়ীজনৰ ভাৰসাম্য দৰ গড় পৰিৱৰ্তনশীল ব্যয়তকৈ অধিক হ'ব লাগিব। তেতিয়াহে একচেটিয়া ব্যৱসায়ীজনে উৎপাদনত লাভ অৰ্জন কৰিবলৈ সক্ষম হয়। যদিহে দৰ AVC তকৈ কম হয়, তেন্তে একচেটিয়া ব্যৱসায়ীজনে উৎপাদন বন্ধ কৰিবলৈ বাধ্য হৈ পৰিব।

**একচেটিয়া বজাৰত দীৰ্ঘকালীন ভাৰসাম্য দৰ (Long run Equilibrium under Monopoly) ঃ**